REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-06-2023
Time : 1715 Hrs.

**ASSAMESE EVENING BULLETIN**

বন্যপ্ৰাণী সংৰক্ষণ আৰু বন্যপ্ৰাণীৰ প্ৰাকৃতিক বাসস্থানসমূহ সুৰক্ষিত কৰাৰ দিশত ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। সেই উপলক্ষে পৰিৱেশ আৰু বন বিভাগে কামৰূপ জিলাৰ চানডুবিত গ্ৰীণ আছাম শীৰ্ষক এটা গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত কয় যে অহা ২ অক্টোবৰত গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰে অসমত ১ কোটি গছ পুলি ৰোপন কৰিব। এই কাৰ্যসূচীত অংশ লোৱা প্ৰতিগৰাকী ব্যক্তিলৈ গছপুলি প্ৰতিপালনত সহায়ক হোৱাকৈ ১০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে। ইয়াৰ লগতে গছজোপা ৰোপণ কৰাৰ তিনি বছৰৰ পাছত প্ৰতিপালন কৰা ব্যক্তিগৰাকীয়ে কৃতজ্ঞতা হিচাপে ২০০ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মুঠ ভৌগোলিক অঞ্চলৰ বনভূমি ৩৬ শতাংশৰ পৰা ৩৮ শতাংশলৈ বৃদ্ধি কৰাৰ ক্ষেত্ৰত চিন্তা-চৰ্চা অব্যাহত ৰখা বুলিও ভাষণত উল্লেখ কৰে। এই কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে সাংসদ, বিধায়ক আৰু শীৰ্ষ বিষয়াসকলে প্ৰায় ৫০০ তকৈও অধিক গছপুলি ৰোপণ কৰে। স্থানীয় প্ৰজাতিৰ গছ যেনে - শাল, শিলিখা, ভোমোৰা, আমলখি, কঁঠাল, এজাৰ, আদি গছ ৰোপণ কৰা হয়। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াৰ লগতে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধক্ষ্য ডাঃ নোমল মমিনকে  ধৰি কেইবাজনো মন্ত্ৰী, সাংসদ, বিধায়ক, ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা তথা পৰিষদৰ কাৰ্যবাহী সদস্যসকল, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু স্থানীয় ৰাইজকে ধৰি শিক্ষাৰ্থীসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানটোতে 'প্ৰাকৃতিক কৃষি দিশত এখোজ' শীৰ্ষক এখন সহায়ক পুথি আৰু এখন পুস্তিকাও উন্মোচন কৰে।

ooooooo

বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰে দেশৰ দশম সৰ্বাধিক ব্যস্ত বিমানবন্দৰ হিচাপে স্বীকৃতি লাভ কৰাটোৱে বিমানবন্দৰটোৰ অধিক সম্ভাৱনা থকাৰ কথাটোকে প্ৰতিফলিত কৰে বুলি পৰ্যটনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে। আজি বৰঝাৰ বিমানবন্দৰত উত্তৰ-পূব ভাৰতৰ পৰ্যটন উদ্যোগ গঢ়ি তোলাৰ প্ৰক্ৰিয়াত বিমানবন্দৰৰ ভূমিকা শীৰ্ষক দিনজোৰা আলোচনাৰ অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, বিমান পৰিবহনে বিভিন্ন স্থানৰ লোকৰ সাংস্কৃতিক আদান-প্ৰদানত সহায় কৰাৰ লগতে পৰ্যটন উদ্যোগৰ উন্নয়নৰ ক্ষেত্ৰত অৰিহণা যোগায়। অনাগত দিনত বিমানবন্দৰটোক অত্যাধুনিক ৰূপ প্ৰদান কৰি আঞ্চলিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে গুৱাহাটী বিমানবন্দৰৰ সৈতে অবিৰত আৰু পোনপটীয়া বহিঃৰাজ্যৰ সংযোগ বিকশিত কৰিবলৈ বিচাৰে। ইয়াৰ দ্বাৰা অনাগত দিনত ৰাজ্যৰ পৰ্যটন উদ্যোগৰ বিকাশ নিশ্চিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

oooooo

বৰপেটা জিলাত সমাগত বানৰ লগতে অন্যান্য দুৰ্যোগৰ সময়ত ল'বলগীয়া সতৰ্কতামূলক ব্যৱস্থাৰ বিষয়ে জনসাধাৰণক সজাগ কৰিবলৈ আজি ৱাৰ্ড পৰ্যায়ৰ এখন প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ উদ্যোগত আয়োজিত এই তিনিদিনীয়া কৰ্মশালাত এজন ব্যক্তিয়ে বানৰ সময়ত নিজৰ লগতে আনৰ সহায়ৰ বাবে কিদৰে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে এই সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এইবাৰ বৰপেটা জিলাত দুৰ্যোগ ব্যৱস্থাপনা বিষয়টো তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ চেষ্টা কৰা হৈছে। ইয়াৰ বাবে জিলাখনৰ পৌৰ সভাসমূহৰ অন্তৰ্গত ৱাৰ্ডবোৰতো একোখনকৈ দুৰ্যোগ ব্যৱস্থাপনা সমিতি গঠন কৰা হৈছে। এই প্ৰশিক্ষণৰ পাছত ৱাৰ্ড সদস্যসকলে সংশ্লিষ্ট ৱাৰ্ডৰ বাসিন্দাসকলকো প্ৰশিক্ষণ প্ৰদান কৰিব।

০০০০০০

দেশৰ অন্যান্য অঞ্চলৰ লগতে বাক্সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত জ্ঞানপীঠ স্নাতক মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ মহোৎসৱ-২০২৩ অনুষ্ঠিত হয়। জিলা প্ৰশাসনে আয়োজন কৰা এই মহোৎসৱত ১০ খন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। সীমান্ত অঞ্চলৰ শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি আয়োজিত এই মহোৎৱসত চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা লিখা প্ৰতিযোগিতা, ম'বাইল ফটোগ্ৰাফী প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাসমূহত বিজয়ী শিক্ষাৰ্থীসকলে জিলা পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। লগতে ৰাজ্যৰ পৰা জয়ী হোৱা প্ৰতিযোগীসকলে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব।

০০০০০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনত 'বাল্য বিবাহ আৰু শিশু অধিকাৰ' শীৰ্ষক এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অনুসৰি জিলাখনৰ ১০টা স্থানত সমল ব্যক্তিসকলে বাল্য বিবাহ আৰু শিশু অধিকাৰ সম্পৰ্কে জনসাধাৰণক সজাগতা প্ৰদান কৰিব। প্ৰশাসনৰ এটা নিৰ্দেশনা মতে কাইলৈ আংজকপানী বালিজুৰি কমিউনিটি হলত, ১০ জুনত চকীহলা ইংলিছ এল পি স্কুলত, ১১ জুনত ডিলাই বজাৰত বাল্য বিবাহ আৰু শিশু অধিকাৰ সুৰক্ষা বিষয়ক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ সমান্তৰালভাৱে শিশু শ্ৰমিক বিৰোধী ৰাজ্যিক কাৰ্যকৰী মাহৰ অংশ হিচাপে কাৰ্বিআংলং জিলা প্ৰশাসনৰ শিশু শ্ৰমিক বিভাগৰ উদ্যোগত ১৮ জুনত ডকমকা আৰু বকলীয়া নগৰ বজাৰ এলেকাত সজাগতা অভিযান তথা উদ্ধাৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০০০

সমাপ্ত